**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 24-04-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

---

ভাৰতে পহলগাম সন্ত্ৰাসবাদীৰ আক্ৰমণৰ পৰিপ্ৰেক্ষিতত ১৯৬০ চনৰ সিন্ধু জল চুক্তি বাতিল আৰু ততালিকে কাৰ্যকৰী হোৱাকৈ আট্টাৰী সংহত চকী বন্ধকে ধৰি ভালেমান কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিছে। কালি বিয়লি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বাসগৃহত অনুষ্ঠিত মন্ত্ৰীসভাৰ সুৰক্ষা বিষয়ক কমিটীৰ বৈঠকত দেশৰ সামগ্ৰিক সুৰক্ষা পৰিস্থিতিৰ পৰ্যালোচনা কৰা হয় আৰু সকলো সুৰক্ষা বাহিনীক সতৰ্ক হৈ থাকিবলৈ নিৰ্দেশ দিয়া হয়।

নতুন দিল্লীত যোৱা নিশা সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত বিদেশ সচিব বিক্ৰম মিশ্ৰীয়ে কয় যে এতিয়াৰে পৰা পাকিস্তানী নাগৰিকসকলক ছাৰ্ক ভিছা ৰেহাই আঁচনিৰ অধীনত ভাৰতলৈ অহাৰ অনুমতি প্ৰদান কৰা নহ'ব। তেওঁ কয় যে পাকিস্তানী নাগৰিকসকলক ইতিপূৰ্বে জাৰি কৰা এই ভিছা বাতিল বুলি গণ্য কৰা হ'ব। তেওঁ লগতে কয় যে ছাৰ্ক ভিছাৰ অধীনত সম্প্ৰতি ভাৰতত থকা পাকিস্তানী নাগৰিকসকলে ৪৮ ঘণ্টাৰ ভিতৰত ভাৰত ত্যাগ কৰিব লাগিব। একেদৰে, নতুন দিল্লীৰ পাকিস্তানী উচ্চায়োগত থকা প্ৰতিৰক্ষা, সামৰিক, নৌ সেনা আৰু বায়ু সেনাৰ উপদেষ্টাসকলে এসপ্তাহৰ ভিতৰত ভাৰত ত্যাগ কৰিব লাগিব বুলি বিদেশ সচিবগৰাকীয়ে জানিবলৈ দিয়ে। ভাৰতেও ইছলামাবাদৰ ভাৰতীয় উচ্চায়োগৰ পৰা ইয়াৰ প্ৰতিৰক্ষা, নৌ আৰু বায়ু সেনা উপদেষ্টাসকলক ঘূৰাই আনিব। তেওঁ কয় যে দুয়োখন দেশৰ উচ্চায়োগৰ এই পদসমূহ অপ্ৰাসঙ্গিক বুলি গণ্য কৰা হ'ব। উচ্চায়োগৰ উপদেষ্টাসকলৰ পাঁচগৰাকী সহযোগী কৰ্মচাৰীকো আঁতৰ কৰা হ'ব।

বিদেশ সচিবগৰাকীয়ে কয় যে উচ্চায়োগত নিয়োজিত কৰ্মচাৰীৰ সংখ্যা পহিলা মে'ৰ পৰা ৫৫ৰ পৰা ৩০লৈ হ্ৰাস কৰা হ'ব। তেওঁ কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত অনুষ্ঠিত সুৰক্ষা বিষয়ক কেবিনেট কমিটীৰ বৈঠকত পহলগামত মঙলবাৰে সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণৰ বিষয়ে অৱগত কৰোৱা হয়। এই আক্ৰমণৰ সৈতে সীমান্তৰ সিপাৰৰ যোগসূত্ৰৰ বিষয়েও আলোচনা কৰা হয়। জম্মু-কাশ্মীৰত অনুষ্ঠিত সফল বিধানসভা নিৰ্বাচন আৰু ৰাজ্যখনৰ দ্ৰুত অৰ্থনৈতিক বিকাশ আৰু উন্নয়নৰ বাবে এই আক্ৰমণ সংঘটিত হোৱা বুলি বৈঠকত উল্লেখ কৰা হয়। মন্ত্ৰীসভাৰ সুৰক্ষা বিষয়ক কমিটীয়ে কঠোৰ ভাষাৰে এই আক্ৰমণক গৰিহণা দিয়ে আৰু আক্ৰমণৰ বলি হোৱা লোকসকলৰ পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে। কেবিনেট কমিটীয়ে লগতে আহতসকলৰ আশু আৰোগ্য কামনা কৰে। বিশ্বৰ বিভিন্ন দেশে ভাৰতৰ সৈতে একতা ব্যক্ত কৰিছে আৰু দ্ব্যৰ্থহীনভাৱে পহলগামৰ সন্ত্ৰাসবাদী আক্ৰমণক গহিৰণা দিছে। সুৰক্ষা বিষয়ক মন্ত্ৰীসভাৰ কমিটীয়ে সন্ত্ৰাসবাদৰ প্ৰতি শূন্য সহনশীলতাৰ সিদ্ধান্তৰ ভূয়সী প্ৰশংসা কৰে।

চৰকাৰে পহলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ পৰিপ্ৰেক্ষিতত আজি নতুন দিল্লীত এখন সৰ্বদলীয় বৈঠকৰ আহ্বান কৰিছে। সূত্ৰৰ পৰা জানিব পৰা মতে সন্ধিয়া ৬ বজাত সংসদ ভৱন চৌহদত এই বৈঠক অনুষ্ঠিত হ'ব।

০০০০০০

জম্মু-কাশ্মীৰৰ পহলগামত মঙলবাৰে হোৱা সন্ত্ৰাসবাদীৰ আক্ৰমণৰ সময়ত কথমপি প্ৰাণৰক্ষা পৰা শিলচৰৰ অসম বিশ্ববিদ্যালয়ৰ অধ্যাপক দেৱাশীষ ভট্টাচাৰ্যক পৰিয়াল সহিতে নিৰাপদে ৰাজ্যলৈ ওভতাই অনাৰ বাবে সকলো ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ডº হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। সন্ত্ৰাসবাদীৰ এই অমানুষিক আক্ৰমণৰ ঘটনাক ভাৰতে কেতিয়াও সহ্য নকৰে বুলি মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে। তেওঁ কয়, যে ভাৰতে ইয়াৰ যোগ্য প্ৰত্যুত্তৰ দিব। উল্লেখযোগ্য যে অসম বিশ্ববিদ্যালয়ৰ অধ্যাপকগৰাকী পত্নী-পুত্ৰৰ সৈতে বেইচ্‌ৰন উপত্যকা ভ্ৰমণৰ বাবে গৈছিল। সন্ত্ৰাসবাদী আক্ৰমণৰ সময়ত দেৱাশীষ ভট্টাচাৰ্যৰ পৰিয়ালটোৱে আন বহুতৰে সৈতে গছ-গছনিৰ আঁৰত লুকাই আছিল যদিও সন্ত্ৰাসবাদীৰ দলটোৱে তেওঁলোকক বিচাৰি উলিয়ায়। সন্ত্ৰাসবাদীকেইটাৰ সন্মুখত কলিমা পাঠ কৰাৰ বাবেই পৰিয়ালটোলৈ গুলীচালনা নকৰিলে বুলি দেৱাশীষ ভট্টাচাৰ্যই আমাৰ শিলচৰৰ সংবাদদাতা আখীৰাণী দাসক টেলিফোনযোগে জনায়। প্ৰায় দুঘণ্টা সময় সমীপতে আশ্ৰয় লৈ পৰৱৰ্তী সময়ত পৰিয়ালটোৱে এখন বাহনত শ্ৰীনগৰলৈ ৰাওনা হয়। পৰিয়ালটো বৰ্তমান নিৰাপদে আছে বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে।

oooooo

ৰাজ্যত আসন্ন পঞ্চায়ত নিৰ্বাচনৰ বাবে বিভিন্ন ৰাজনৈতিক দলে প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে। মুখ্যমন্ত্ৰী ডº হিমন্ত বিশ্ব শৰ্মাই কালি কেইবাখনো প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। বিজেপি তথা মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ সমৰ্থনত মুখ্যমন্ত্ৰীগৰাকীয়ে **টীয়কৰ** ৰজাবাৰী খেলপথাৰ আৰু সৰুপথাৰৰ ধোন্দাচাম ক্ৰীড়া সন্থা খেলপথাৰত দুখনকৈ নিৰ্বাচনী সভাত ভাগ লয়। **সৰুপথাৰত** নিৰ্বাচনী সভাত ভাগ লৈ মুখ্যমন্ত্ৰীগৰাকীয়ে বিৰোধীক তীব্ৰ সমালোচনা কৰাৰ লগতে এইবাৰ পঞ্চায়ত নিৰ্বাচনত এন ডি এ সমৰ্থিত সকলো প্ৰাৰ্থীয়ে জয়লাভ কৰিব বুলি মন্তব্য কৰে। একেখন সভাতে মুখ্যমন্ত্ৰী শৰ্মাই কংগ্ৰেছ সাংসদ গৌৰৱ গগৈকো তীক্ষ্ণ ভাষাৰে সমালোচনা কৰি সাংসদগৰাকীৰ শত্ৰু ৰাষ্ট্ৰৰ সৈতে সম্পৰ্ক থকা বুলি মন্তব্য কৰে।

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কালি **ঢকুৱাখনাৰ** বাটমাৰিত বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ হৈ এখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। শ্ৰীসোণোৱালে ধেমাজিৰ মাজৰবাৰীত আন এখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰি কয়, যে সন্ত্ৰাসবাদ নিশেষ কৰাটো বিজেপি নেতৃত্বাধীন চৰকাৰৰ সংকল্প।

**ধেমাজিৰ** নলবাৰী ৰাজহুৱা খেলপথাৰত মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কালি এখন নিৰ্বাচনী প্ৰচাৰ সভাত ভাগ লৈ মিত্ৰজোঁটৰ প্ৰাৰ্থী বৰদলনি জিলা পৰিষদৰ সদস্য খ্যমালি বৰদেউৰী দৈমাৰী আৰু আঞ্চলিক সদস্য গুণৰী ব্ৰহ্মাৰ সমৰ্থনত নিৰ্বাচনী প্ৰচাৰ চলায়।

ইপিনে **যোৰহাটৰ** সাংসদ তথা লোকসভাৰ বিৰোধী দলৰ উপ-দলপতি গৌৰৱ গগৈয়ে ডিগবৈৰ গোলাইত কালি দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ সভাত অংশ লয়।

আনহাতে **ডিব্ৰুগড়ত** এখন সংবাদমেল অনুষ্ঠিত কৰি অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈয়ে দলীয় ইস্তাহাৰ মুকলি কৰে। সংবাদমেলখনত দলটোৰ সাধাৰণ সম্পাদক জগদীশ ভূঞাও উপস্থিত থাকি শাসকীয় দলটোক তীব্ৰ সমালোচনা কৰে।

oooooo

সমাগত পঞ্চায়ত নিৰ্বাচন সুচাৰুৰূপে সম্পন্ন কৰাৰ বাবে চৰাইদেউ জিলা প্ৰশাসনে যাৱতীয় প্ৰস্তুতি অব্যাহত ৰাখিছে। জিলাখনৰ সোণাৰীৰ সমষ্টিৰ বাবে নিয়োজিত সাধাৰণ পৰ্যবেক্ষক আৰু জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী

বিষয়া তথা নিৰ্বাচন ব্যয় পৰ্যবেক্ষণ কোষৰ বিষয়াৰ উপস্থিতিত কালি জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত নিৰ্বাচনী ব্যয় সম্পৰ্কীয় এখন বৈঠক অনুষ্ঠিত হয়। বৈঠকত নিৰ্বাচন আয়োগ আৰু অসম ৰাজ্যিক নিৰ্বাচন আয়োগৰ নীতি নিৰ্দেশনাসমূহৰ বিষয়ে বিস্তৃতভাৱে আলোচনা কৰা হয়। উল্লেখযোগ্য যে, পঞ্চায়ত নিৰ্বাচনৰ নিৰ্বাচনী ব্যয়ৰ ক্ষেত্ৰত ধাৰ্য্য কৰা উৰ্ধতম সীমা জিলা পৰিষদৰ সদস্য পদৰ বাবে একোগৰাকী প্ৰাৰ্থীৰ ক্ষেত্ৰত ১০ লাখ টকা, আঞ্চলিক পঞ্চায়তৰ সদস্য পদৰ বাবে আঢ়ৈ লাখ টকা আৰু গাওঁ পঞ্চায়তৰ সদস্য পদৰ বাবে ২৫ হাজাৰ টকা ধাৰ্য্য কৰা হৈছে। বৈঠকত প্ৰাৰ্থীসকলক ইতিমধ্যে প্ৰদান কৰা নিৰ্বাচনী ব্যয় পঞ্জীয়ন পুস্তিকাত নিয়মিতভাৱে আৰু সঠিকভাৱে নিৰ্বাচনী ব্যয়ৰ হিচাপসমূহ অন্তৰ্ভুক্ত কৰিবলৈ কোৱা হৈছে। সময়ে সময়ে এই নিৰ্বাচনী ব্যয় পুস্তিকাসমূহ  সাধাৰণ পৰ্যবেক্ষক তথা নিৰ্বাচনী ব্যয় পৰ্যবেক্ষকৰ তত্বাৱধানত নিৰ্বাচনী ব্যয় পৰ্যবেক্ষণ কোষৰ দ্বাৰা পৰীক্ষা কৰা হ'ব।

০০০০০০

কোনো এবিধ সামগ্ৰী ব্ৰেণ্ড হিচাপে প্ৰতিষ্ঠা কৰিবলৈ যথেষ্ট সংগ্ৰাম কৰিবলগীয়া হয়। যদিহে এই উৎপাদনকাৰী বা উদ্যোগীগৰাকী অসমৰ থলুৱা উদ্যোগী হয় তেনেহ'লে তেওঁ অধিক সংগ্ৰাম কৰিব লাগে। এনে কেইগৰাকীমান উদ্যোগীক লৈয়েই পৰহিলৈ আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে নিশা ৮ বাজি দুই মিনিটত এটা বিশেষ দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত অসমৰ তিনিগৰাকী নতুন উদ্যমীয়ে তেওঁলোকৰ সফলতাৰ কাহিনী ব্যক্ত কৰিব। এই অনুষ্ঠানৰ পৰিকল্পনা, প্ৰযোজনা আৰু উপস্থাপন আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০০

সমাপ্ত